**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-05-2026
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। অসম, পশ্চিমবংগ, কেৰলম, তামিলনাডু আৰু পুডুচেৰীত কাইলৈ পুৱাৰে পৰা বিধানসভা নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

২। পশ্চিমবংগৰ ফল্‌তা বিধানসভা সমষ্টিৰ আটাইকেইটা ভোটগ্ৰহণ কেন্দ্ৰত নিৰ্বাচন আয়োগে পুনৰ ভোটগ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩। চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীট আজি দিনৰ ২ বজাৰ পৰা অনুষ্ঠিত হ'ব।

৪। আজি বিশ্ব সংবাদ মাধ্যম স্বাধীনতা দিৱস। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ছানৰাইজাৰ্ছ হায়দৰাবাদ, কলকাতা নাইট ৰাইডাৰ্ছৰ আৰু গুজৰাট টাইটানছ, পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হব।

০০০০

অসম, পশ্চিমবংগ, কেৰলম, তামিলনাডু আৰু পুডুচেৰীত কাইলৈ পুৱাৰে পৰা বিধানসভা নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

অসমত ভোটগণনাৰ যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ভোটগণনা নিয়াৰিকৈ আৰু সুকলমে পৰিচালনাৰ বাবে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। ষ্ট্ৰং ৰুমসমূহৰ নিৰাপত্তা ব্যৱস্থাতো চোকা দৃষ্টি ৰখা হৈছে। কাইলৈ পুৱা ৮ বজাত ডাক বেলট গণনাৰে ভোটগণনা আৰম্ভ হ'ব।

ভোটগণনাৰ বাবে ৩৫ খন জিলাৰ মুখ্য কাৰ্যালয়ত মুঠ ৪০টা কেন্দ্ৰ স্থাপন কৰা হৈছে। ভোটগণনা প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে ১২৬ জন পৰ্যবেক্ষক নিয়োগ কৰা হৈছে আৰু এই প্ৰক্ৰিয়াত ৫ হাজাৰ ৯৮১ গৰাকী গণনা বিষয়া আৰু দুহেজাৰ ৩৪৭ গৰাকী মাইক্ৰ' অবজাৰ্ভাৰে সহযোগিতা আগবঢ়াব। প্ৰতিটো সমষ্টিৰ ভোটদানৰ হাৰত ভিত্তি কৰি ১৫ৰ পৰা ২৮টা ৰাউণ্ডত ভোট গণনা কৰা হ'ব।

তামিলনাডুত ভোটগণনাৰ বাবে ১০ হাজাৰ ৫৪৫ গৰাকী কৰ্মী নিয়োগ কৰা হৈছে। এই সকলক ৪ হাজাৰ ৬২৪ গৰাকী মাইক্ৰ'অবজাৰ্ভাৰে সহায় কৰিব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি ৰাজ্যখনত প্ৰতিটো সমষ্টিৰ বাবে একোজনকৈ মুঠ ২৩৪ গৰাকী গণনা পৰ্যবেক্ষক থাকিব।

পশ্চিমবংগত মুঠ ৭৭ টা কেন্দ্ৰত ভোটগণনা কৰা হব আৰু ইয়াৰ বাবে নিৰ্বাচন আয়োগে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। ভোটগণনা নিয়াৰিকৈ কৰাৰ বাবে কেইবা তৰপীয়া সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা হৈছে।

কেন্দ্ৰীয় শাসিত পুডুচেৰীত বিধানসভা নিৰ্বাচনত ভোটগণনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। ভোটগণনাক কেন্দ্ৰ কৰি অঞ্চলটোত ব্যাপক নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে আৰু সামগ্ৰিক ব্যৱস্থাপনাৰ প্ৰশাসনে পৰ্যবেক্ষণ কৰি আছে। পুডুচেৰীৰ মুখ্য নিৰ্বাচন বিষয়া পি জৱাহৰে আকাশবাণীক কয় যে কাইলৈ পুডুচেৰী অঞ্চলৰ ৩ টাৰ উপৰি কাৰাইকাল, য়ানম আৰু মাহেৰ এটাকৈ কেন্দ্ৰত কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ ৩০ টা সমষ্টিৰ আটাইকেইটাৰে ভোটগণনা কৰা হ'ব। অসামৰিক আৰক্ষী সশস্ত্ৰ আৰক্ষী আৰু কেন্দ্ৰীয় বাহিনীক লৈ ৩ তৰপীয়া নিৰাপত্তা গঢ়ি তোলা হৈছে। ভোটগণনাৰ দিনটোত প্ৰতিটো গণনা কেন্দ্ৰৰ এশ মিটাৰ ব্যাসৰ দূৰত্বত বিনা অনুমতিত প্ৰবেশ নিষিদ্ধ কৰা হৈছে। এই এলেকাত যান বাহনৰ চলাচলত অনুমতি দিয়া হোৱা নাই আৰু নিৰ্বাচন বিভাগৰ পৰিচয় পত্ৰ থাকিলেহে কোনো লোকক এলেকাটোত প্ৰবেশৰ অনুমতি দিয়া হৈছে। মুখ্য নিৰ্বাচন বিষয়াগৰাকীয়ে কয় যে দেশৰ নিৰ্বাচন আয়োগে নিযুক্তি দিয়া পৰ্যবেক্ষকৰ অধীনত সমগ্ৰ ভোটগণনা প্ৰক্ৰিয়াক স্বচ্ছ কৰি তোলাত গুৰুত্ব দিয়া হৈছে।

০০০০

পশ্চিমবংগৰ দক্ষিণ ২৪ পৰগনা জিলাৰ ফলতা বিধানসভা সমষ্টিৰ আটাইকেইটা ভোটগ্ৰহণ কেন্দ্ৰতে পুনৰ ভোটগ্ৰহণ কৰা হব। বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত ২৯ এপ্ৰিলত হোৱা ভোটগ্ৰহণৰ সময়ত ব্যাপক অনিয়ম আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়া উলংঘনৰ অভিযোগ পোৱাৰ পাছতে নিৰ্বাচন আয়োগ সমষ্টিটোৰ সামগ্ৰিক ভোটগ্ৰহণ প্ৰক্ৰিয়া বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই অনুসৰি সমষ্টিটোৰ ২৮৫টা ভোটগ্ৰহণ কেন্দ্ৰৰ আটাইকেইটাতে ২১ মে'ত নতুনকৈ ভোটগ্ৰহণ কৰা হ'ব।

পৰ্যবেক্ষকে দাখিল কৰা প্ৰতিবেদনত ই ভি এম টেম্পাৰিং, ভোটদাতাক ভাবুকি আৰু ভোটগ্ৰহণৰ নিয়মাৱলী উলংঘনকে ধৰি ব্যাপক অনিয়ম হোৱা বুলি উল্লেখ কৰা হৈছে। আনকি সমষ্টিটোৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰত ই ভি এমৰ বুটাম ক'লা টেপেৰে ঢাকি থোৱাৰ অভিযোগো উত্থাপন হৈছিল আৰু ইয়াৰ ফলত ভোটগ্ৰহণ প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি হৈছিল। লগতে ভোটগ্ৰহণ কেন্দ্ৰত  কৰ্তৃত্বহীন লোকৰ প্ৰৱেশ আৰু আনৰ হৈ ভোট দিয়াৰ অভিযোগ উত্থাপন হৈছিল। সমষ্টিটোত হোৱা ব্যাপক অনিয়মক লৈ একাংশ ভোটদাতাই ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰিছিল আৰু সমষ্টিটোত পুনৰ নিৰ্বাচনৰ দাবী জনাইছিল।

০০০০

কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা  কিৰেণ ৰিজিজুৱে অভিযোগ কৰিছে যে সকলো বিৰোধী দলে অবিৰতভাৱে কেন্দ্ৰীয় চৰকাৰৰ সংস্থা, নিৰ্বাচন আয়োগ, ই ভি এম আৰু সংবাদ মাধ্যমক আক্ৰমণ কৰি অহাৰ পাছত এতিয়া ন্যায় ব্যৱস্থাক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীৰিজিজুৱে কয় যে এই দলসমূহে আচলতে দেশৰ গণতন্ত্ৰৰ পৰিকাঠামোকহে আক্ৰমণ কৰিছে বুলি অনুভৱ কৰিব পৰা নাই।

শ্ৰীৰিজিজুৱে কয় যে কংগ্ৰেছৰ আমোলতে ১৯৭৫ চনত দেশত জৰুৰী অৱস্থা জাৰি কৰা হৈছিল। তেওঁ দাবী কৰে যে সেই সময়ত  কংগ্ৰেছ চৰকাৰৰ দিনত এখন কমিটিৰ জৰিয়তে নিযুক্তি দিয়াৰ  পৰম্পৰা ভংগ কৰি শীৰ্ষ সাংবিধানিক পদবী আৰু কেন্দ্ৰীয় সংস্থাসমূহৰ মুৰব্বীসকলক চৰকাৰে প্ৰত্যক্ষভাৱে নিযুক্তি দিছিল।  দেশবাসীয়ে

কংগ্ৰেছ দলৰ প্ৰকৃত স্বৰূপ বুজি উঠিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে জনতাই সেই দলটোক যোগ্য প্ৰত্যুত্তৰ তথা জীৱনৰ বাবে শিক্ষা দিছে।

oooo

চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীট আজি অনুষ্ঠিত হ'ব। পৰীক্ষা দিনৰ ২ বজাত আৰম্ভ হ'ব আৰু ৫ বজাত সামৰণি পৰিব। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ২০১৯ চনৰ পৰা এই পৰীক্ষাৰ আয়োজন কৰি আহিছে। সংস্থাটোৱে শিক্ষাৰ্থীসকলৰ বাবে নীতি নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি বিদ্যাৰ্থীসকলে প্ৰৱেশ-পত্ৰৰ সৈতে ভোটাদাতা পৰিচয় পত্ৰ, আধাৰকাৰ্ড অথবা ৰেচন কাৰ্ডৰ দৰে ফটোযুক্ত পৰিচয় পত্ৰৰ মূল নথি লৈ আহিব লাগিব।

oooo

আজি বিশ্ব সংবাদ মাধ্যম স্বাধীনতা দিৱস। প্ৰতিবছৰে ৩ মে'ত সংবাদ মাধ্যমৰ স্বাধীনতাৰ মৌলিক অধিকাৰবোৰক স্বীকৃতি দিয়া, সমগ্ৰ বিশ্বতে সংবাদ মাধ্যমৰ স্বাধীনতা মূল্যায়ন কৰা, সংবাদ মাধ্যমৰ স্বাধীনতাত আক্ৰমণ ৰোধ কৰা আৰু কৰ্তব্যৰ সময়ত প্ৰাণ হেৰুওৱা সাংবাদিকসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উদ্দেশ্যে এই দিৱস উদযাপন কৰি অহা হৈছে। এই বছৰ এই দিৱসৰ মূল বিষয় বস্তু হৈছে ঃ শান্তিৰ ভৱিষ্যত গঢ় দিয়া। বিশ্ব সংবাদ স্বাধীনতা দিৱসে মতপ্ৰকাশৰ স্বাধীনতাক পুনৰ দৃঢ় কৰাৰ বাবে আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সৈতে মানৱ অধিকাৰৰ কৰ্মীসকলৰ ভৱিষ্যত শক্তিশালী কৰাৰ বাবে গুৰুত্বপূৰ্ণ সুযোগ আগবঢ়াইছে।

ইউনোস্ক'ৰ সাধাৰণ সন্মিলনৰ পৰামৰ্শ অনুসৰি ১৯৯৩ চনৰ ডিচেম্বৰ মাহত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে প্ৰেছ স্বাধীনতা দিৱস ঘোষণা কৰিছিল। এই দিৱসত সংবাদ স্বাধীনতাৰ মৌলিক নীতিসমূহ উদযাপন কৰা হয়- ই চৰকাৰসমূহক সংবাদ মাধ্যমৰ স্বাধীনতাৰ প্ৰতি থকা দায়বদ্ধতাক সন্মান জনোৱাৰ প্ৰয়োজনীয়তাৰ বিষয়ে সোঁৱৰাই দিয়ে।

oooo

বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰীয়ে আজি নতুন দিল্লীত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰে। সামাজিক মাধ্যমত মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি এই সাক্ষাৎকালত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ সৈতে তেওঁ বিকশিত বিহাৰৰ লক্ষ্যক বাস্তৱত ৰূপায়িত কৰাৰ সন্দৰ্ভত বিশেষ আলোচনা কৰে। তেওঁ কয় যে সাক্ষাৎকালত ৰেলমন্ত্ৰীৰ সৈতে বিহাৰৰ ৰেলৱে পৰিকাঠামোৰ উন্নয়ন, উন্নত যোগাযোগ আৰু বিহাৰৰ সামগ্ৰিক উন্নয়ন সন্দৰ্ভত আলোচনা হয়।

oooo

কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে. ৰামমোহন নাইডুৱে আজি ৰাষ্ট্ৰীয় মীন উন্নয়ন পৰিষদৰ অধীনত শ্ৰীকাকুলাম জিলাৰ চম্পেটা মণ্ডলৰ মুনাপালেম গাঁৱত ৰূপায়ণ হৈ থকা প্ৰকল্প উদয় একুৱা উদ্যোগ পৰিদৰ্শন কৰে। এই পৰিদৰ্শনৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক স্থানীয় বিধায়ক ডং অশোক আৰু জিলা বিষয়াসকলে তেওঁক সংগ দিয়ে। শ্ৰীনাইডুৱে মীন উৎপাদন বৃদ্ধি, আয়ৰ উৎস উন্নত কৰা আৰু স্থানীয় লোকসকলৰ বাবে নিয়োগৰ সুযোগ সৃষ্টি কৰাৰ লক্ষ্যৰে লোৱা পদক্ষেপসমূহৰ বিষয়ে অংশীদাৰসকলৰ সৈতে আলোচনা কৰে। এই উপলক্ষে আয়োজিত সভাত ভাষণ দি শ্ৰীনাইডুৱে বিধায়ক ডং অশোকৰ সহযোগত শ্ৰীকাকুলাম জিলাক এখন বৃহৎ একুৱা হাব হিচাপে

গঢ়ি তোলাৰ প্ৰচেষ্টা আৰম্ভ হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে শ্ৰীকাকুলামৰ মীন পালনৰ সম্ভাৱনা সঠিকভাৱে ব্যৱহাৰ কৰিলে ই মাছমৰীয়া আৰু স্থানীয় যুৱক-যুৱতীসকলৰ বাবে উল্লেখযোগ্য যে আয় তথা কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব পাৰে। তেওঁ মাছমৰীয়া সমাজক আশ্বাস প্ৰদান কৰি কয়, যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে অঞ্চলটোৰ মীন খণ্ডৰ উন্নয়নৰ বাবে পূৰ্ণ সমৰ্থন আগবঢ়াব।

০০০০

দিল্লীৰ উপ ৰাজ্যপাল তৰনজিৎ সিং সান্ধু আৰু মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই বিবেক বিহাৰত আজি পুৱা সংঘটিত এটা অগ্নিকাণ্ডত কেইবাজনো লোকে প্ৰাণ হেৰুওৱা ঘটনাত গভীৰ শোকপ্ৰকাশ কৰিছে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত শ্ৰীসান্ধুৱে এই ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। তেওঁ আঘাটপ্ৰাপ্তসকলৰ আশু আৰোগ্য কামনা কৰে। শ্ৰীসান্ধুৱে কয়, যে আহতসকলক তাৎক্ষণিকভাৱে আৰু সকলো প্ৰয়োজনীয় চিকিৎসা সাহায্য প্ৰদান কৰাতো নিশ্চিত কৰিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হৈছে।

দিল্লীৰ মুখ্যমন্ত্ৰীয়ে ৰেখা গুপ্তাই কয়, যে এই দুৰ্ঘটনা অতি মৰ্মান্তিক। এই কঠিন সময়ত ক্ষতিগ্ৰস্ত পৰিয়ালৰসমূহৰ সৈতে দিল্লী চৰকাৰ দৃঢ়তাৰে থিয় দি আছে বুলিও তেওঁ কয়। স্থানীয় প্ৰশাসন, দিল্লী দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ, অগ্নি নিৰ্বাপক সেৱা আৰু দিল্লী আৰক্ষীৰ সকলো জ্যেষ্ঠ বিষয়াই সাহায্য আৰু উদ্ধাৰ অভিযান সম্পূৰ্ণৰূপে নিয়োজিত হৈ আছে বুলিও শ্ৰীমতী গুপ্তাই জানিবলৈ দিয়ে। পৰিস্থিতি নিৰীক্ষণ কৰি থকা হৈছে বুলি ক্ষতিগ্ৰস্তসকলৰ বাবে সম্ভাব্য সকলো সহায় নিশ্চিত কৰা হৈছে বুলিও তেওঁ কয়।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আহমেদাবাদত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত গুজৰাট টাইটানছ পাঞ্জাব কিংছৰ সন্মুখীন হ'ব।

প্ৰতিযোগিতাত যোৱানিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে মুম্বাই ইণ্ডিয়ানছক ৮ উইকেটত পৰাস্ত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ১৫৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে ১৮ অভাৰ আৰু এটা বলত দুটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। চেন্নাইৰ হৈ ৰুতুৰাজ গাইকোৱাড়ে ৬৭ আৰু কাৰ্তিক শৰ্মাই ৫৪ ৰান কৰি আউট নোহোৱাকৈ থাকে।

০০০০

সমাপ্ত